অসম

শিৱসাগৰত এয়াৰ ৱেইড আৰু ব্লেকআউট মক ড্রিল, ছাইৰেনৰ শব্দত আতংকিত জনতা; যুদ্ধকালীন পৰিস্থিতিৰ আখৰা

প্রকাশ: ২৬ নৱেম্বৰ ২০২৬, আবেলি ৬:০৮



(Mustak Ahmed)

শিৱসাগৰ, ২৬ নৱেম্বৰঃ ছাইৰেনৰ বিকট শব্দই কঁপাই তুলিলে সমগ্র পৰিৱেশ। জীৱন ৰক্ষাৰ বাবে মাটিত শুই পৰিল জনতা। চৌদিশে নামি আহিল অন্ধকাৰ। কিছু সময়ৰ বাবে যেন যুদ্ধকালীন পৰিস্থিতিৰ সৃষ্টি হ'ল শিৱসাগৰত। অৱশ্যে এয়া কোনো প্রকৃত যুদ্ধৰ পৰিৱেশ নাছিল। কেন্দ্রীয় চৰকাৰৰ গৃহ পৰিক্রমা মন্ত্রালয়ৰ নির্দেশনা অনুসৰি সম্ভাৱ্য যুদ্ধ আৰু জৰুৰীকালীন পৰিস্থিতিৰ মোকাবিলা কৰাৰ প্রস্তুতিৰ অংশ হিচাপে অনুষ্ঠিত কৰা হৈছিল এয়াৰ ৱেইড আৰু ব্লেকআউট মক ড্রিল।

শিৱসাগৰ জিলা প্রশাসন আৰু আৰক্ষী প্রশাসনৰ অধীনত জিলা অসামৰিক প্রতিৰক্ষা (Civil Defence) বিভাগে জিলাখনৰ বিভিন্ন জৰুৰীকালীন সেৱা বিভাগৰ সহযোগত শিৱসাগৰ ৰাজ্যিক পৰিবহণ নিগমৰ (ASTC) চৌহদত এই অনুশীলন কার্যসূচী অনুষ্ঠিত কৰে। 2nd Phase Civil Defence Air Raid & Black Out Mock Exerciseৰ অংশ হিচাপে অনুষ্ঠিত এই মক ড্রিলত যুদ্ধ বা জৰুৰীকালীন অৱস্থাত শত্রু ৰাষ্ট্রৰ সম্ভাৱ্য যুঁজাৰু বিমান আৰু ড্রোন আক্রমণৰ সময়ত সাধাৰণ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ

কৌশল প্রদর্শন কৰা হয়।

এই অনুশীলনৰ সময়ত ছাইৰেন বজাই সম্ভাৱ্য আকাশী আক্রমণৰ সতর্কবাণী দিয়াৰ লগতে ব্লেকআউটৰ পৰিস্থিতিৰ সৃষ্টি কৰা হয়। এনে পৰিস্থিতিত নাগৰিকসকলে কেনেদৰে নিজকে সুৰক্ষিত কৰিব, আক্রমণৰ সময়ত কি কি সাৱধানতা অৱলম্বন কৰিব আৰু জৰুৰীকালীন সেৱাসমূহে কেনেদৰে তাৎক্ষণিক সঁহাৰি আগবঢ়াব, সেই সম্পর্কে আখৰা কৰা হয়।

শিৱসাগৰ অসামৰিক প্রতিৰক্ষা বিভাগৰ উদ্যোগত অনুষ্ঠিত এই কার্যসূচীত জিলা প্রশাসন, জিলা আৰক্ষী প্রশাসন, দুর্যোগ ব্যৱস্থাপনা বিভাগ, অগ্নি আৰু জৰুৰীকালীন সেৱা, স্বাস্থ্য বিভাগ, লোক নির্মাণ বিভাগ, F&ESS ONGC, DIPRO, APDCL, BSNL, জিলা গৃহৰক্ষী বাহিনী আৰু 11 Assam NCC Battalion-এ সহযোগিতা আগবঢ়ায়।

জৰুৰীকালীন পৰিস্থিতিত বিভিন্ন বিভাগৰ মাজত সমন্বয় স্থাপন, তাৎক্ষণিক সঁহাৰি আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্রত এনে অনুশীলন বিশেষভাৱে গুৰুত্বপূর্ণ। সম্ভাৱ্য বিপদৰ সময়ত নাগৰিক আৰু প্রশাসনৰ প্রস্তুতি পৰীক্ষা কৰাৰ উদ্দেশ্যেই এই মক ড্রিল অনুষ্ঠিত কৰা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6662/siwosagorot-eyar-reid-aru-blekoaut-mok-dril-sairenor-sobdot-atngkit-jonota-juddh